**District Level Internal Examination Committee, Dhubri**

**Half Yearly Examination, 2025**

**Class - X**

**Sub - Assamese (MIL)**

**Time : 3 Hours** **Full Marks : 100**

<u>বিভাগ - 'ক' (মূল্যাংক - ৭৫)</u>

১। অতি চমু উত্তৰ দিয়া ঃ (যিকোনো পাঁচটা) ১×৫=৫

(ক) কোনটো যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি?

(খ) 'ইনফচিচ' কোম্পানীৰ প্ৰতিষ্ঠাপক কোন আছিল?

(গ) 'The Red River and Blue Hill' কোনে ৰচনা কৰিছিল?

(ঘ) ভাইৰাচ (Virus) কি?

(ঙ) অৰুণিমা সিন্‌হাৰ বয়স কিমান আছিল?

(চ) পাহিৰ পলৰ ওপৰত কিয় খং উঠিছিল?

২। চমু উত্তৰ দিয়া ঃ (যিকোনো চাৰিটা) ২×৪=৮

(ক) NEMCARE HOSPITAL ৰ স্বত্বাধিকাৰী কোন আৰু এইখন ক'ত অৱস্থিত?

(খ) অজন্তাৰ ছবিবোৰত প্ৰকাশ পোৱা ভাৱবস্তু দুটা কি কি?

(গ) অৰুণিমা সিন্‌হাই লাভ কৰা দুটা পুৰস্কাৰৰ নাম লিখা।

(ঘ) কাজিৰঙালৈ যাবলৈ ওলাওতে পাহি আৰু পলক মাক আৰু দেউতাকে কি উপদেশ দিছিল?

(ঙ) ইন্টাৰনেটৰ দুটা কু-প্ৰভাৱ উল্লেখ কৰা।

৩। ই-মেইল কি? কুঁৱলীয়ে ই-মেইলৰ জৰিয়তে বান্ধৱীসকলৰ পৰা কি কি কথা জানিব পাৰিলে? ১+২=৩

৪। সুকুমাৰ কলা কাক বোলে? সুকুমাৰ কলাৰ ভিতৰত কোনটো শিল্পক স্থায়ী বোলা হৈছে? ২+১=৩

৫। চমুকৈ লিখা ঃ (যিকোনো এটা) ৩

(ক) ইন্টাৰনেটৰ সহায়ত কুঁৱলীয়ে কি কি নতুন অভিজ্ঞতা আহৰণ কৰিলে?

(খ) এজন উদ্যোগী হ'বলৈ যোৱাটোও চাইকেল চলাবলৈ শিকাৰ দৰে একক প্ৰচেষ্টাৰে কৰা কাম বুলি কিয় কৈছে? চমুকৈ লিখা।

*Contd....*

৬। ব্যাখ্যা কৰা ঃ (যিকোনো এছোৰা) ৪

(ক) সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ।

(খ) উদ্যোগী পুৰুষ সিংহৰ সমান, এলেহুৱা কাপুৰুষৰ সমান।

৭। ল'ৰা-ছোৱালীৰ কামৰ পাৰ্থক্য দেখি পাহিয়ে মাকক কি কৈছিল? মাকে ইয়াৰ প্ৰত্যুত্তৰত পাহিক কি বুজনি দিছিল? ২+২=৪

৮। অতি চমু উত্তৰ লিখা ঃ (যিকোনো দুটা) ১×২=২

(ক) নামঘোষাৰ আন এটা নাম কি?

(খ) মক্কাৰ দুৱাৰত কি ঘাট আছে?

(গ) 'বিহগী কবি' বুলি কাক জনা যায়?

৯। ব্যাখ্যা কৰা ঃ (যিকোনো এছোৰা) ৩

(ক) সজাৰ মইনাটিৰ অনেক যুগুতি।
দেও মাৰি পাৰ হ'লে এৰিলে পীৰিতি।

(খ) মোহন কীচক বেণু অনাহত ছন্দে
গায় মহামহিমৰ গান,
মোহ তন্দ্ৰালস তেজি উঠা ভক্তবৃন্দহ
সুন্দৰৰ কৰা ৰূপধ্যান।

১০। বৰগীত কি ভাষাত লিখা হৈছে? বৰগীতৰ তিনিটা লক্ষণৰ বিষয়ে লিখা। ১+৩=৪

১১। তলৰ যিকোনো এটা কবিতাৰ মূলভাৱ লিখা। ৪

(ক) বৰগীত (খ) জিকিৰ

১২। তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) সন্ধি ভাঙা আৰু যোৱা লগোৱা ঃ (যিকোনো দুটাৰ)
সূৰ্য্য + উদয়, অতীত, সীমা + অন্ত

(খ) ব্যাসবাক্য ভাঙি সমাসৰ নাম লিখা ঃ (যিকোনো দুটাৰ)
ত্ৰিভুৱন, চক্ৰপাণি, হৰিহৰ

(গ) 'ণ' আৰু 'ষ' হোৱাৰ কাৰণ লিখা ঃ (যিকোনো দুটাৰ)
ওৰণি, বৃষ, পৰায়ণ

(ঘ) বিপৰীতাৰ্থক শব্দ লিখা ঃ (যিকোনো দুটা)
সপোন, এলেহুৱা, পৰাজিত

(ঙ) যথাস্থানত যতিচিহ্ন বহুওৱা ঃ
(১) ৰোজে কলে তুমি আজি বজাৰলৈ যাবানে



(২) আকাশ মূন আৰু পাহিয়ে একেলগে ভাত খালে

(চ) বাক্য ৰচনা কৰা ঃ (যিকোনো দুটা)
চকু পোৱা, কপাল ফুটা, আকাশত চাং পতা

(ছ) এটা শব্দত প্ৰকাশ কৰা ঃ (যিকোনো দুটা)
(১) পানীত থকা জীৱ।
(২) বীণা আছে পাণিত যাৰ।
(৩) যাৰ মূৰত চুলি নাই।

(জ) প্ৰত্যয় ভাঙা ঃ (যিকোনো দুটা)
পাগলী, শাৰীৰিক, ফাগুনা

১৩। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ৪

(ক) অধিক মাছত বগলী কণা।

(খ) তোমাৰ মাৰাৰ অসুখৰ বাবে তুমি এসপ্তাহ বিদ্যালয়লৈ আহিব পৰা নাছিলা, তাৰ বাবে ছুটী বিচাৰি বিদ্যালয়ৰ প্ৰধানলৈ এখন আবেদন লিখা। (আবেদনত তোমাৰ নাম, ঠিকনা নিলিখিবা)

(গ) তুমি বাস কৰা অঞ্চলটোৰ খোৱাপানীৰ সমস্যাৰ বিষয় জনাই এখন স্থানীয় বাতৰি কাকতৰ বাবে এখন প্ৰতিবেদন প্ৰস্তুত কৰা।

১৪। তলৰ যিকোনো এখন ৰচনা লিখা ঃ ৮

(ক) অসমৰ নিবনুৱা সমস্যা।

(খ) দৈনন্দিন জীৱনত মোবাইল ফোনৰ ব্যৱহাৰ।

(গ) অসমৰ প্ৰাকৃতিক সম্পদ।

১৫। 'বৈচিত্ৰময় অসম'ৰ সন্নিবিষ্ট যিকোনো দুটা জনগোষ্ঠীৰ সাজপাৰৰ বিষয়ে লিখা। ২+২=৪

১৬। 'বৈচিত্ৰময় অসম'ৰ যিকোনো দুটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙণি যোগোৱা একোজনকৈ ব্যক্তিৰ বিষয়ে চমুটোকা লিখা। ৩+৩=৬

## বিভাগ-'খ' (মূল্যাংক - ২৫)

১৭। অতি চমু উত্তৰ লিখা ঃ ১×৪=৪

(ক) সংস্কৃত ভাষাৰ প্ৰথম ব্যাকৰণ প্ৰণেতা কোন?

(খ) নাগাৰ্জুন কোন?

(গ) 'মোক্ষ' শব্দৰ অৰ্থ কি?

(ঘ) মানুহৰ পুৰুষাৰ্থক কেইটা ভাগত ভাগ কৰা হৈছে?

১৮। আজিকালিৰ শিক্ষাৰ লগত প্ৰাচীন কালৰ ভাৰতৰ শিক্ষাৰ মূল পাৰ্থক্যৰ কথা বহলাই লিখা। ৪

১৯। চমুটোকা লিখা ঃ (যিকোনো এটা) ২

(ক) বিক্ৰমশীলা বিশ্ববিদ্যালয় (খ) নালন্দা বিশ্ববিদ্যালয়

২০। অতি চমু উত্তৰ লিখা ঃ ১×৩=৩

(ক) 'ভাঙিব লাগিব শিল' কাৰ ৰচনা?

(খ) 'সাতাম পুৰুষীয়া' শব্দৰ অৰ্থ কি?

(গ) কবিয়ে চাই থাকোঁতে থাকোঁতে মুখ কিহেৰে ভৰি পৰিল বুলিছে?

২১। 'ধৰ ঝাড়ু ধৰ ভাই' কবিতাটিৰ মাজেৰে কবি অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ স্বদেশপ্ৰেমৰ ভাৱ কিদৰে প্ৰকাশ পাইছে লিখা। ৩

২২। অম্বিকাগিৰী ৰায়চৌধুৰীক কি আখ্যা দিয়া হৈছে? তেওঁ কোনখন আলোচনীৰ সম্পাদক আছিল? ১+১=২

২৩। তলৰ বাক্য দুটা শুদ্ধকৈ লিখা ঃ ২

(ক) তোমাৰ মাৰ নাম কি?

(খ) মই মোৰ চুলি চেলুনত কাটিলোঁ।

২৪। তলৰ শব্দ দুটাৰ উপসৰ্গ ভাঙি দেখুওৱা ঃ ২

প্ৰতিফল, অভিনয়

২৫। সমাৰ্থক শব্দ লিখা ঃ (যিকোনো দুটাৰ) ২

কৰ্ণ, অৰুণ, প্ৰভাত

২৬। আধুনিক ৰূপ লিখা ঃ (যিকোনো এটাৰ) ১

তহিতে, দেখিলন্ত

---X---